**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
----------------------

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী পালন কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হৈছে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰদীপ হাজৰিকা, সুশান্ত বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ, ড০ সৌমাৰ জ্যোতি মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম দিৱসৰ ক্ষণত আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতাগৰাকীলৈ শ্ৰদ্ধা জনায়। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে অসমীয়া জাতিৰ ৰূপৰেখা আঁকি স্বৰ্গদেউ চ্যুকাফাই অসম ভূমিক প্ৰাণৱন্ত কৰি তুলিছিল। সবল নেতৃত্ব, বিচক্ষণতা তথা দূৰদৰ্শী সিদ্ধান্ত গ্ৰহণেৰে চ্যুকাফাই অসমীয়া জাতিক মহীয়ান কৰি যোৱা  সোণসেৰীয়া সময়ক ভিত্তি কৰি উত্তৰ প্ৰজন্মই অধ্যয়ন আৰু গৱেষণাৰ মাধ্যমেৰে নতুন বাট মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম দিৱস উপলক্ষে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত উল্লেখ কৰে যে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শ আৰু কৰ্ম কুশলতা যুগে যুগে বন্দিত হৈ থাকিব। সাত ৰাজ সামৰি এক ৰাজ কৰি চ্যুকাফাই এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ পথ প্ৰশস্ত কৰি থৈ গৈছে বুলি শ্ৰীসোণোৱালে উল্লেখ কৰে।

oooooo

লোকসভাত আজি দুখনকৈ গুৰুত্বপূৰ্ণ বিধেয়ক সন্দৰ্ভত আলোচনা কৰা হ'ব। আজি দুয়োখন সদন মিলিত হোৱাৰ পাছত বিৰোধীৰ হুলস্থূলীয়া পৰিবেশৰ বাবে দিনৰ ১২ বজালৈকে স্থগিত ৰখা হয়। বেংকিং আইন সংশোধনী বিধেয়ক আৰু ৰেলৱে সংশোধনী বিধেয়ক সম্পৰ্কত আলোচনা অনুষ্ঠিত হ'ব। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে চীনৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দিয়াৰ সম্ভাৱনা আছে।

oooooo

বাংলাদেশে যোৱা দুদিনত ইস্কনৰ ৮৩গৰাকী সদস্যক বৈধ পাছপোৰ্ট আৰু ভিছা থকা সত্বেও বেনাপোল তালাচী চকীৰে ভাৰতলৈ অহাত বাধা আৰোপ কৰিছে। বেনাপোল প্ৰব্ৰজন আৰক্ষীৰ দায়িত্বৰাহী বিষয়া ইমটিয়াজ আহছানুল কাদৰ ভূঞাই এই কথা স্পষ্ট কৰি কয় যে বাংলাদেশৰ বিভিন্ন জিলাৰ পৰা ইস্কনৰ

এই সদস্যসকলে ধৰ্মীয় ৰীতি-নীতি পালনৰ বাবে ভাৰতলৈ যাবলৈ বেনাপোল তালাচী চকীত উপস্থিত হৈছিল যদিও তেওঁলোকক ঘূৰাই পঠিওৱা হয়। বিষয়াগৰাকীয়ে কয়, যে ইস্কনৰ সদস্যসকলৰ ওচৰত বৈধ পাছপোর্ট আৰু ভিছা আছিল যদিও যাত্ৰাৰ বাবে বিশেষ চৰকাৰী অনুজ্ঞাপত্ৰ নথকাৰ বাবে তেওঁলোকক ঘূৰাই পঠিওৱা হয়।

ইফালে, বাংলাদেশত শেহতীয়াকৈ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ বিৰুদ্ধে ব্যাপক হাৰত আক্ৰমণ-নিৰ্যাতনৰ ঘটনাৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় কৃষ্ণ চেতনা সংঘ, ইস্কনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইস্কনৰ কলকাতা শাখাই আন্তঃৰাষ্ট্ৰীয় শান্তি সংগঠনসমূহে হিন্দু সকলৰ ওপৰত হোৱা আক্ৰমণ আৰু অত্যাচাৰৰ বিষয়ে মৌনতা অৱলম্বন কৰাৰ অভিযোগ তুলিছে। ইস্কন কলকাতাৰ উপ-সভাপতি তথা মুখপাত্ৰ ৰাধাৰমন দাসে কয়, যে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ সংস্থাসমূহক সহায়ৰ বাবে আহ্বান জনাইছে যদিও এতিয়ালৈকে কোনেও সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। উল্লেখযোগ্য যে বাংলাদেশত যোৱা নিশা শ্যাম দাস নামৰ ইস্কনৰ আন এগৰাকী সাধুক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মাণ্ডাৱিয়াই কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে স্বাস্থ্য খণ্ডক সহজ আৰু সুলভ কৰি তুলিছে। নতুন দিল্লীত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ডাঃ মাণ্ডাৱিয়াই কয় যে ২০১৪ চনত দেশত ৩৮৭খন চিকিৎসা মহাবিদ্যালয় থকাৰ বিপৰীতে যোৱা দশকত এই সংখ্যা দুগুণলৈ বৃদ্ধি হৈ ৭৮০খন হৈছে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা বিশ্বৰ সৰ্ববৃহৎ চিকিৎসা আঁচনি হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই আঁচনিৰ অধীনত ১২ কোটি পৰিয়ালক ৫ লাখ টকাৰ স্বাস্থ্য বীমাৰ অধীনত সামৰি লোৱা হৈছে। ইয়াৰ অধীনত ৭০ বছৰ আৰু ততোধিক বয়সৰ লোকক অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ লগতে উন্নত আন্তঃগাঁথনি, দক্ষ কৰ্মী, ঔষধৰ ক্ষেত্ৰত গৱেষণা, ঔষধৰ উপলব্ধতা তথা উন্নত নিদান ব্যৱস্থাকে ধৰি স্বাস্থ্য খণ্ডত সৰ্বাঙ্গীন উন্নয়নৰ হকে কাম কৰি থকা হৈছে বুলি মন্তব্য কৰে।

০০০০০০

বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত ১৯ বছৰ অনুৰ্দ্ধৰ কোচবিহাৰ ট্ৰফী ক্ৰিকেটত অসমে কেৰালাক ২২৫ ৰাণত  পৰাজিত কৰে। খেলখনত কেৰালাক জয়ৰ বাবে ২৭৬ ৰাণৰ প্ৰয়োজন আছিল যদিও অন্তিম দিনটোত কেৰালাই ৫১ ৰাণতে দ্বিতীয় ইনিংছ সামৰে। কেৰালাৰ হৈ কাৰ্তিক পিয়ে সৰ্বাধিক ২১ ৰাণ কৰাৰ বিপৰীতে অসমৰ হিমাংশু শ্বেৰাৱাটে পাঁচটা, আয়ুষ্মান মালাকাৰ আৰু নিশান্ত সিংহানিয়াই দুটাকৈ উইকেট লাভ কৰে।

০০০০০০

সমাপ্ত